# অতি ঘন শস্যৰ পথাৰ

www.rkbassam.in

প্ৰতিজোপা ধান গছক এক নিৰ্দিষ্ট স্থানৰ প্ৰয়োজন হয় যাৰ বাবে এক নিদিষ্ট দুৰত্বত গছ ৰোৱা হয় যাক ইংৰাজীত Spacing বোলা হয়। প্ৰতিজোপা ধান গছৰ শ্ৰীবৃদ্ধিৰ বাবে প্ৰয়োজন হোৱা নিৰ্দিষ্ট স্থানৰ অভাৱ ঘটিলে শস্য ডৰাৰ পৰা উৎপাদন হ্ৰাস পায়। এনেক্ষেত্ৰত উদ্ভিদ সমূহৰ মাজত পোষক মৌলৰ বাবে প্ৰতিযোগিতা বৃদ্ধি পায়, ফলত গছ সমূহ পুষ্টিহীনতাত ভোগে, ক্ষীণ আৰু দুৰ্বল হয় যাৰ বাবে আশানুৰূপ ফলাফল দেখুৱাব নোৱাৰে। বহুক্ষেত্ৰত দুৰ্বল গছবোৰ বাগৰি পৰে আৰু গোটেই পথাৰ ডৰাৰ ধানবোৰ একেলগে নপকে। এনেধৰণৰ তাৰতম্যৰ বাবে কৃষক লোকচানৰ সন্মুখীন হয়।

**কিয় আৰু ক'ত হ'ব পাৰে :**

ঘন শস্যৰপথাৰ সাধাৰণতে পোনপটীয়াকৈ মূল পথাৰত সিঁচি কৰা ধানৰ এক প্ৰধান সমস্যা। মাটিৰ ওপৰিভাগত সিঁচি দিয়া ধান বীজৰ পৰিমাণ ৪০-৭৫ কিঃ গ্ৰাঃৰ ভিতৰতে থাকিব লাগে। যদি সিঁচিবলৈ যন্ত্ৰৰ ব্যৱহাৰ কৰা হয়, তেন্তে ৪০ কিঃগ্ৰাঃ বীজৰ প্ৰয়োজন হয় । হাতেৰে খুউব যত্নসহকাৰে সিঁচিব লাগে যাতে গোটেই পথাৰডৰাত সুষম ভাবে বিস্তাৰিত হয়। ব্যৱহৃত বীজ উন্নত মানদণ্ডৰ হ'ব লাগে যাতে অধিক বীজৰ ব্যৱহাৰ কৰিবলগীয়া নহয়।

**সমস্যাটো কিদৰে চিনাক্ত কৰিব ?**

•প্ৰতি বৰ্গমিটাৰত ২৫০ জোপাতকৈ বেছি ধান গছ থাকিলে

•গছবোৰ ক্ষীণ , দুৰ্বল হলে

**কিয় গুৰুত্বপূৰ্ণ ?**

আঁসোৱাহ পূৰ্ণ শস্য এডৰাৰ পৰা আশানুৰূপ অৰ্থনৈতিক লাভালাভ পোৱা নাযায়। অত্যাধিক বীজৰ ব্যৱহাৰ কৰিলে বীজৰ খৰচো বৃদ্ধি পায় আৰু পিছত ঘন পুলিবোৰ উভালিবলৈ অধিক বনুৱাৰ প্ৰয়োজন হয়।

**কেনেদৰে ব্যৱস্থাপনা কৰিব ?**

• শস্যডৰাত পৰ্যাপ্ত পুলি পাবলৈ বীজসমূহ নিৰ্দিষ্ট পৰিমাণত সুষমভাবে সিঁচিব লাগে।

•বীজ সিঁচাৰ পিছতে পানীৰ সুব্যৱস্থাপনা কৰিব লাগে আৰু পানী পথাৰখনত সমানে বিয়পাই দিয়াৰ ব্যৱস্থা কৰিব লাগে।

•সিঁচা ধানৰ ক্ষেত্ৰত প্ৰতি বৰ্গমিটাৰত ১০০-২০০ জোপা ধান গছ থাকিব লাগে।

*Rice Fact Sheet*






Assam Agribusiness and Rural Transformation Project (APART)

The World Bank is the funding agency of APART
Department of Agriculture, Assam is the nodal department for implementation of APART
ARIAS Society is the State level coordinating and monitoring agency for APART
Assam Agricultural University is the leading Agricultural University of the State and implementing agency of APART, imparting research and scientific support.
International Rice Research Institute (IRRI) is the rice global leader providing technical and hand-holding support in the implementation of APART

The opinions expressed in this publication are those of the authors. They do not purport to reflect the opinions or views of the IRRI. Attribution - Non Commercial-Share Alike 3.0 (Unported)